# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 25-03-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

HEDLINE/25-03-2025

১।　ৰাজ্যত বিগত ৪ বছৰত দুহেজাৰ ৬০০ কোটি টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰা হৈছে বুলি বিধানসভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২।　অসম বিধানসভাত ২০২৫-২৬ বৰ্ষৰ বাজেট গৃহীত।

৩।　ব্যক্তিগত বিশ্ববিদ্যালয়ত বৃত্তিগত শিক্ষাৰ অনুমতি প্ৰদান কৰা নহয় বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা।

৪।　২ এপ্ৰিলৰ পৰা গুৱাহাটীত খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক প্ৰতিযোগিতা।

*আৰু*

৫।　আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্নৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে ডেলহী কেপিটেলছৰ জয়লাভ।

ooooo

ৰাজ্যখনত যোৱা চাৰি বছৰত দুহেজাৰ ৬০০ কোটি টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰা হৈছে আৰু এই সংক্ৰান্তত ১৯ হাজাৰ লোকক আটক কৰা হৈছে। অসম বিধানসভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে চি পি আই এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে ৰাজ্যত চলি থকা দুৰ্নীতি, চিণ্ডিকেট আৰু ৰেট হোল মাইনিং সন্দৰ্ভত যোৱা ৫ মাৰ্চত সোধা প্ৰশ্ন আৰু পৰৱৰ্তীকালত সামাজিক মাধ্যমত ভাইৰেল হোৱা বিধায়ক তালুকদাৰৰ বুলি অভিযোগ উঠা এটা অডিঅ' বাৰ্তাৰ প্ৰসংগ কালি সদনত বিজেপিৰ বিধায়ক মানৱ ডেকাই উত্থাপন কৰে। বিধায়কগৰাকীয়ে এই অডিঅ' বাৰ্তা সন্দৰ্ভত তদন্ত হ'ব লাগে বুলি দাবী জনায়। বিধায়ক তালুকদাৰে অডিঅ' বাৰ্তাৰ সত্যাসত্য নিৰূপণৰ বাবে তেওঁ প্ৰয়োজন সাপেক্ষে আদালতৰ দ্বাৰস্থ হ'ব বুলি প্ৰকাশ কৰে। বিষয়টোত হস্তক্ষেপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে চিণ্ডিকেট, অপৰাধজনিত ঘটনা ৰোধৰ লগতে দুৰ্নীতি বিৰোধী শক্তিশালী ব্যৱস্থা ৰাজ্য চৰকাৰখনে সাজু কৰি তুলিছে। ২০১১ চনত ৰাজ্যখনত চৰকাৰী বিষয়া-কৰ্মচাৰীৰ দুৰ্নীতিৰ বিৰুদ্ধে ২০ টা গোচৰ ৰুজু হৈছিল। ২০১২ চনত ১২ টা, ২০১৩ চনত ৫টা আৰু ২০১৪ চনত এটাও গোচৰ ৰুজু হোৱা নাছিল। ইয়াৰ পৰিৱৰ্তে তেওঁৰ কাৰ্যকালত ২৪ গৰাকী প্ৰথম শ্ৰেণীৰ উচ্চ পৰ্যায়ৰ বিষয়া, ৮০ গৰাকী দ্বিতীয় শ্ৰেণীৰ বিষয়াকে ধৰি মুঠ ৩৪৯ গৰাকী চৰকাৰী বিষয়াক দুৰ্নীতিৰ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

-বাইট-

ৰেট হোল মাইনিং সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত কয়লাৰ গোচৰত এজনো লোকক গ্ৰেপ্তাৰ নকৰাৰ বিপৰীতে বিজেপি চৰকাৰে ৩ লাখ মেট্ৰিক টনতকৈও অধিক কয়লা জব্দ কৰাৰ লগতে ২২৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। ৰেট হোল মাইনিং বন্ধ কৰাৰ বাবে উপগ্ৰহ প্ৰযুক্তিৰে নিৰীক্ষণৰ ব্যৱস্থা কৰাৰ লগতে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত আয়োগ গঠন কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। কংগ্ৰেছ চৰকাৰৰ শাসনকালত ৰাজ্যত সঘনে হোৱা গঁড় হত্যা সম্প্ৰতি প্ৰায় শূন্যলৈ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ২০২৩ বৰ্ষত ৰাজ্যত এটাও গঁড় হত্যাৰ ঘটনা হোৱা নাই আৰু যোৱাবছৰ দুটা গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। একেদৰে গৰুৰ চোৰাং সৰবৰাহৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, যে ২০১০ৰ পৰা ২০১৬ চনলৈ গৰুৰ চোৰাং সৰবৰাহত জড়িত ৭৭ জন লোককহে গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁৰ কাৰ্যকালত এই পৰ্যন্ত ৪ হাজাৰ ৩০০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ooooo

বিত্ত মন্ত্ৰী অজন্ত নেওগে যোৱা ১০ মাৰ্চত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে উত্থাপন কৰা বাজেট কালি অসম বিধানসভাৰ মজিয়াত গৃহীত হয়। লোক নিৰ্মাণ বিভাগৰ লগত সম্পৰ্কিত ২০২৫-২৬ বৰ্ষৰ দাবী মঞ্জুৰীৰ সন্দৰ্ভত কালি সদনত আলোচনা কৰাৰ লগতে  ভোটদান অনুষ্ঠিত হয়। একেদৰে বিদ্যালয় শিক্ষা বিভাগৰ লগত সম্পৰ্কিত ২০২৫ বৰ্ষৰ দাবী মঞ্জুৰী আৰু বাকী থকা দাবী মঞ্জুৰী সমূহত সদনত ভোটদান হোৱাৰ পাছতে সদনত বাজেট গৃহীত কৰা হয়। বিৰোধী পক্ষৰ বিভিন্ন দাবী সন্দৰ্ভত বিত্তমন্ত্ৰী অজন্তা নেওগে কয়, যে আন্তঃগাঁথনিৰ বাবে সৰ্বাধিক পুঁজি বিভিন্ন শিতানত ব্যয় কৰা হৈছে। এই পুঁজি ধাৰাবাহিকভাৱে বৃদ্ধি কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

ৰাজ্যৰ ব্যক্তিগত বিশ্ববিদ্যালয়ক বৃত্তিগত শিক্ষাৰ অনুমতি প্ৰদান কৰা নহয় বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। বিধানসভাৰ মজিয়াত কালি শিক্ষামন্ত্ৰীগৰাকীয়ে **অসম ব্যক্তিগত বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, ২০২৫** সহ একাধিক বিধেয়ক উত্থাপন কৰি কয়, যে চিকিৎসা অথবা ইয়াৰ সম্পৰ্কিত পাঠ্যক্ৰম, কৃষি অথবা সংলগ্ন পাঠ্যক্ৰম, পশু চিকিৎসা আৰু কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যক্তিগত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ দিয়া নহ'ব। শেহতীয়াকৈ ৰাজ্য চৰকাৰে কেবিনেটত এই সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি তেওঁ কয়। **এখন ৰাজ্য এটা মান** নীতিৰ ভিত্তিত চৰকাৰে এই সিদ্ধান্ত লোৱা বুলি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে সদনৰ মজিয়াত উল্লেখ কৰে। চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে এটাই মান অব্যাহত ৰাখিব বিচৰা বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে কোনোবাই চিকিৎসা মহাবিদ্যালয় অথবা নাৰ্চি মহাবিদ্যালয় খুলিব বিচাৰিলে শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধীনত স্বীকৃতি ল'ব লাগিব। যিহেতু চৰকাৰৰ কৃষি বিশ্ববিদ্যালয়, অসম বিজ্ঞান আৰু কাৰিকৰী বিশ্ববিদ্যালয় আছে সেয়ে কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত এই বিশ্ববিদ্যালয়ৰ অধীনতহে স্বীকৃতি দিয়াৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে, ৰাজ্যত স্থাপন কৰিবলগা তিনিখন ব্যক্তিগত বিশ্ববিদ্যালয়ৰ বাবে ৰাজ্য চৰকাৰে উত্থাপন কৰা তিনিখন বিধেয়ক আৰু ১১ খন বিভিন্ন সংশোধনী বিধেয়ক কালি বিধানসভাত গৃহীত হয়।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে বাকী থকা পৰীক্ষাসমূহ পুনৰ অনুষ্ঠিত কৰিবলৈ পৰিষদে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰশ্নকাকত ফাদিল তথা নতুনকৈ বাকী থকা পৰীক্ষাসমূহ অনুষ্ঠিত কৰাৰ সন্দৰ্ভত কালি অনুষ্ঠিত পৰিষদৰ এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত আন কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। বাতিল হোৱা পৰীক্ষাসমূহ কেতিয়া অনুষ্ঠিত কৰা হ'ব সেই সন্দৰ্ভত পৰিষদে এতিয়া সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাই। ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ সময় ঘোষণাৰ পাছতহে একাদশ শ্ৰেণীৰ পৰীক্ষাৰ সময়সূচী ঘোষণা কৰাৰ সম্ভাৱনা আছে। ইপিনে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ বাবে চি আই ডিত এটা গোচৰ ৰুজু কৰা হৈছে। এই গোচৰৰ ভিত্তিত চি আই ডিয়ে ক্ষীপ্ৰতাৰে তদন্ত আৰম্ভ কৰিছে।

০০০০০

বিটিআৰৰ ১০ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰ'ৰ আহমেদাবাদত থকা মহাকাশ প্ৰয়োগ কেন্দ্ৰত চাৰিদিনীয়া শৈক্ষিক ভ্ৰমণৰ বাবে ৰাওনা হৈছে। বিটিচিৰ কাৰ্যবাহী সদস্য উইলচন হাজদাই ছাত্ৰ-ছাত্ৰীৰ দলটোক নেতৃত্ব দিছে। এই ভ্ৰমণকালত ছাত্ৰ-ছাত্ৰীসকলে মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতি সম্পৰ্কে প্ৰত্যক্ষভাৱে অৱগত হোৱাৰ সুযোগ লাভ কৰিব। নতুন প্ৰজন্মৰ মাজত বিজ্ঞান মানসিকতা গঢ় দিয়াৰ লগতে তেওঁলোকক মহাকাশ বিজ্ঞানৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ বাবে এই পদক্ষেপ লোৱা হৈছে।

০০০০০

ইনাৰলাইন পাৰ্মিট অবিহনে অৰুণাচল প্ৰদেশত প্ৰৱেশ কৰা ৫৫৭ জন লোকক ৰাজ্যখনৰ আৰক্ষীয়ে আটক কৰিছে। অসমকে ধৰি বহিঃৰাজ্যৰ এই লোকসকলে ইনাৰলাইন পাৰ্মিট অবিহনে কৰ্মসূত্ৰে ৰাজ্যখনত প্ৰৱেশ কৰিছিল। পাপুমপাৰে জিলাৰ উপায়ুক্তৰ নিৰ্দেশ মৰ্মে কালি আৰক্ষীয়ে অভিযান চলাই অসমৰ ৪৩ জন লোকক আটক কৰে। যোৱা শুকুৰবাৰৰ পৰা ৰাজ্যখনৰ আৰক্ষীয়ে ইনাৰলাইন পাৰ্মিট অবিহনে প্ৰৱেশ কৰা লোকৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছিল।

০০০০০

মৰাণত যোৱা দেওবাৰৰ পৰা চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে পঞ্চদশ বাৰ্ষিক কেন্দ্ৰীয় তৰাচিঙা বিহু অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় তৰাচিঙা বিহু স্থায়ী সমিতি আৰু উষাপুৰ মহিলা সমাজৰ উদ্যোগত আয়োজিত এই অনুষ্ঠান উপলক্ষে পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণৰ পাছত তৰাগছ তুলিবলৈ সাংস্কৃতিক দলৰ দোলাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে থাপনাত তৰা গছ স্থাপন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে বাণিজ্য মেলা, জনগোষ্ঠীয় নৃত্য আৰু বিহু প্ৰশিক্ষণ শিবিৰ মুকলি কৰা হয়। এই উপলক্ষে আয়োজিত মুকলি সভাত তৰাচিঙা শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। আজি যুৱ সমাৰোহ আৰু বিহুৱতী প্ৰতিযোগিতা আৰু কাইলৈ জাতীয় সাজ-পাৰ, বিহু হুঁচৰি, জেং বিহু আৰু মুকলি সভা অনুষ্ঠিত হ'ব।

ইপিনে, গোলাঘাট জিলাৰ মেৰাপানীত হাতীয়ে খোৱা চক্ৰধ্বজ সমন্বয় ক্ষেত্ৰত ঠেঙাল কছাৰী জনগোষ্ঠীৰ কেন্দ্ৰীয় অধিৱেশনৰ অংশ হিচাপে তৰাচিৰা বিহু অনুষ্ঠিত হৈছে। এই উপলক্ষে অধিৱেশনস্থলীত

কমেও দুহেজাৰ নাচনীয়ে খোলাং বুঢ়ী নাচ পৰিৰেশন কৰবি পৰিৰেশন কৰিব। এই অধিৰেশনত জনগোষ্ঠীটোৰ পৰম্পৰাগত ৰীতি-নীতি, আৰ্থ-সামাজিক, ৰাজনৈতিক, শৈক্ষিক আৰু সাংস্কৃতিক বিষয়সমূহ প্ৰতিফলিত হ'ব।

ooooo

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱস কাইলৈ অসম সাহিত্য সভাই সাহিত্য দিৱস হিচাপে পালন কৰিব। সভাই কেন্দ্ৰীয়ভাৱে মৰিগাঁও জিলা সাহিত্য সভাৰ আতিথ্যত আৰু আঁহতগুৰি শতদল সাহিত্য সভাৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে আঁহতগুৰি শ্ৰীমন্ত শংকৰগুৰু কীৰ্তনঘৰত এই দিৱসৰ আয়োজন কৰিছে। এই উপলক্ষে পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত দিনৰ ভাগত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। এই সভাত মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থকাৰ কথা। মুকলি সভাখনত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বক্তৃতা আগবঢ়াব। ওদালগুৰি জিলা সাহিত্য সভাইও কাইলৈ জ্ঞানমালিনী স্বৰ্ণশাখা সাহিত্য সভা, ধোপগুৰিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে সাহিত্য দিৱস পালন কৰিব।

পাঠশালা সাহিত্য সভাৰ উদ্যোগত কাইলৈ সাহিত্যৰথীগৰাকীৰ স্মৃতি দিৱস সাহিত্য দিৱস হিচাপে উদযাপন কৰিবলৈ লোৱা হৈছে। দিৱসৰ কাৰ্যসূচী অনুসৰি কাইলৈ পুৱা পাঠশালা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ গোস্বামীয়ে পতাকা উত্তোলন কৰিব। ইয়াৰ পিছতে স্মৃতি তৰ্পণ, সাহিত্যৰথীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু মুকলি আলোচনাৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ooooo

নৰ্থ বেংগল পেইণ্টাৰ এছ'চিয়েচনৰ উদ্যোগত উত্তৰ বংগৰ শিলিগুৰিত যোৱা ২১ মাৰ্চৰ পৰা অনুষ্ঠিত দ্বিতীয় শিলিগুৰি আৰ্ট ফেয়াৰ ২০২৫ৰ আজি সামৰণি পৰিব। ধুবুৰীৰ বিশিষ্ট চিত্ৰশিল্পী তৰুণ কুমাৰ মিত্ৰই পানীৰঙৰ জৰিয়তে ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ ছবি অংকন কৰি প্ৰদৰ্শন কৰিছিল। উল্লেখযোগ্য যে এইগৰাকী শিল্পীয়ে আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় চিত্ৰকলা প্ৰদৰ্শনীসমূহত মহাবাহু ব্ৰহ্মপুত্ৰৰ দৃশ্যপট বিভিন্ন ধৰেণ অংকন কৰি ব্ৰহ্মপুত্ৰৰ সুৰক্ষাৰ হকে জনমত গঠনৰ বাবে চেষ্টা কৰি আহিছে। এই চিত্ৰ প্ৰদৰ্শনী তথা চিত্ৰ মেলাত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে নেপালৰ পৰা অহা শিল্পীয়েও অংশগ্ৰহণ কৰিছে।

ooooo

## NP REVIEW

উত্তৰ গুৱাহাটীৰ ৰংমহললৈ গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিৰুদ্ধে গুৱাহাটী হাইক'ৰ্ট বাৰ এছ'চিয়েচনৰ সদস্যসকলে কালি পুৰণি আবাসৰ সন্মুখত অৱস্থান গ্ৰহণ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন**ৰ লগতে অন্যান্য কাকতেও প্ৰকাশ কৰিছে।

চি পি আই এমৰ সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে চিণ্ডিকেট চক্ৰৰ পৰা টকা বিচৰা বুলি ভাইৰেল হোৱা এটা শ্ৰব্য বাৰ্তাৰ প্ৰসংগত কালি বিধানসভাৰ মজিয়াত আলোচনা অনুষ্ঠিত হয়। এই বাতৰিটো প্ৰকাশ কৰি **দৈনিক অসম** কাকতে 'ধন লোৱাটো প্ৰমাণ হ'লে ৰাজনীতি এৰিমঃ বিধায়ক তালুকদাৰ' শিৰোনামেৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰে দেশৰ সাংসদ আৰু প্ৰাক্তন সাংসদৰ দৰমহা আৰু পেঞ্চন বৃদ্ধি কৰিছে। একেদৰে দৈনিক ভাট্টাও বৃদ্ধি কৰা হৈছে বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ সূত্ৰত প্ৰকাশ। এই বাতৰিটো **আমাৰ অসম** কাকতে '২৪ শতাংশ দৰমহা বাঢ়িল সাংসদৰ, বৃদ্ধি পেঞ্চনো' শিৰোনামেৰে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ছিংগাপুৰ সামুদ্ৰিক সপ্তাহত বিশ্বৰ সামুদ্ৰিক খণ্ডৰ আগশাৰীৰ নেতৃবৰ্গৰ সৈতে যোগদান কৰি নিৰাপদ বহনক্ষম তথা সমৃদ্ধিশালী সামুদ্ৰিক ভৱিষ্যতৰ বাবে ভাৰতৰ দৃষ্টিভংগী দাঙি ধৰিছে। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

অসম বিধানসভাৰ মজিয়াত কালি বিভিন্ন বিষয় সন্দৰ্ভত শাসক-বিৰোধীৰ তৰ্ক-বিতৰ্কৰ বাবে সৃষ্টি হোৱা হুলস্থূলীয়া পৰিৱেশ নিয়ন্ত্ৰণৰ বাবে অধ্যক্ষই ১০ মিনিটৰ কাৰণে সদনৰ কাম-কাজ স্থগিত ৰাখে। এই সন্দৰ্ভত **দৈনিক অগ্ৰদূত** কাকতে বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যত এন পি এছ শিক্ষক-কৰ্মচাৰীৰ বাবে নতুনকৈ ঘোষণা কৰা ইউ পি এছ ব্যৱস্থাৰ ভুলসমূহক গুৰুত্ব নিদি বলৱৎ কৰাৰ সিদ্ধান্তই শিক্ষক-কৰ্মচাৰীসমাজক অধিক শংকিত কৰিছে। কালি ৰাজ্যৰ শিক্ষক-কৰ্মচাৰী সমাজে নিজ নিজ কৰ্তব্যস্থলীত কৰ্মবিৰতি পালন কৰি চৰকাৰৰ সিদ্ধান্ত বিপক্ষে প্ৰতিবাদ কৰাৰ লগতে কিছুসংখ্যক প্ৰতিনিধিয়ে চচলত দিছপুৰ চল' কাৰ্যসূচীৰ অংশস্বৰূপে ধৰ্ণা আৰু অৱস্থান কৰি চৰকাৰক পুনৰ পুৰণি পেঞ্চন বাহাল ৰখাৰ দাবী জনাইছে। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ পৰীক্ষা জালিয়তিত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ইউ এছ টি এমৰ বিতৰ্কিত আচাৰ্য ড° মহবুবুল হকলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে অন্তৰৰ্তী জামিন মঞ্জুৰ কৰিছে। এই বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে 'High Court Grants bail to USTM chancellor' শিৰোনামেৰে প্ৰকাশ কৰিছে।

প্ৰশাসনত অধিক স্বচ্ছতা অনাৰ ক্ষেত্ৰত চৰকাৰে প্ৰয়াস চলাই আছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই বাতৰিটো **দা ছেণ্টিনেল** কাকতে 'We are bringing about more transparency to check corruption' শিৰোনামেৰে প্ৰকাশ কৰিছে।

ooooo

খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতা অহা ২ এপ্ৰিলৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত অনুষ্ঠিত জিলা পৰ্যায়ত শ্ৰেষ্ঠ খেলুৱৈৰূপে নিৰ্বাচিত খেলুৱৈসকলে ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতাৰ একাধিক শাখাত অংশগ্ৰহণ কৰিব। সৰুসজাই ক্ৰীড়া প্ৰকল্প, নেহৰু ষ্টেডিয়াম, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চৌহদ আৰু সোণাপুৰৰ এল এন ই পিত প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। ডাঃ জাকিৰ হুছেইন একুৱাটিক কমপ্লেক্সত সাঁতোৰ, তেতেলীয়াৰ চাকনিবাৰী খাটত চাইক্লিং প্ৰতিযোগিতা হ'ব। মুঠ ৭ হাজাৰ ৯৮ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলগীয়া এই প্ৰতিযোগিতাৰ অহা ৬ এপ্ৰিলত সামৰণি পৰিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বিশাখাপট্টনমৰ ৰাই এছ ৰাজা শেখৰা ৰেড্ডী ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন উত্তেজনাপূৰ্ণ খেলত ডেলহী কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক অন্তিম

অভাৰত ১ উইকেটত পৰাস্ত কৰে। খেলখনত লক্ষ্ণৌৱে বান্ধি দিয়া ২১০ ৰাণৰ লক্ষ্য দিল্লীয়ে ১৯ অভাৰ আৰু ৩টা বলত ৯টা উইকেট হেৰুৱাই সফলতাৰে অতিক্ৰম কৰে। ইনিংছৰ এটা পৰ্যায়ত দিল্লীয়ে ৬৫ ৰাণতে ৫টা উইকেট হেৰুৱাই পৰাজয়ৰ শংকাত ভুগিছিল যদিও আশুতোষ শৰ্মাই ৩১টা বলত ৬৬ আৰু বিপ্ৰাজ নিগমে ১৫টা বলত ৩৯ ৰাণ কৰি দলক বিজয়ৰ সোৱাদ দিয়ে। এটা ছিক্সেৰে দলৰ বিজয় নিশ্চিত কৰা আশুতোষ শৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে টছত জয়ী হৈ দিল্লীয়ে প্ৰথমে ফিল্ডিঙৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি লক্ষ্ণৌৰ দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০৯ ৰাণ কৰে। দলৰ হৈ মিছেল মাৰ্ছে ৭২ আৰু নিকোলাছ পুৰাণে ৭৫ ৰাণৰ বৰঙণি আগবঢ়ায়। দিল্লীৰ মিচেল ষ্টাৰ্কে সৰ্বাধিক ৩টা উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ পাঞ্জাৱ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষ পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

ooooo

সমাপ্ত